# কুৱেইটত বৰ্ণালী কলিতাৰ সংগীতানুষ্ঠান



*কুৱেইটৰ পৰা*

■ দেৱাহুতি কাকতি দাস
■ অলোক কুমাৰ দাস

তৈল সম্পদৰ ভঁৰাল ৰাষ্ট্ৰ কুৱেইটৰ অসমীয়াসকলৰ উমৈহতীয়া মঞ্চ 'অসম এছ'চিয়েশনৰ কুৱেইট'ৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। ১৮ এপ্ৰিল আৰু ২৯ মে'ত আয়োজন কৰা এই উৎসৱত প্ৰবাসী অসমীয়াসকলৰ লগতে অসমক ভালপোৱা, কুৱেইটত থকা ভাৰতৰ আন ঠাইৰ লোকেও অংশগ্ৰহণ কৰে। ২৯ মে'ত কুৱেইট চহৰৰ ভাৰতীয় দূতাবাসৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'বৰ্ণালী সাংস্কৃতিক সন্ধিয়া'ত অসমৰ জনপ্ৰিয় গায়িকা বৰ্ণালী কলিতাই পৰিৱেশন কৰা মনোমোহা সংগীতানুষ্ঠানে সকলো দৰ্শক-শ্ৰোতাকে মন্ত্ৰমুগ্ধ কৰি তোলে। অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় বন্তি প্ৰজ্বলনেৰে। বন্তি প্ৰজ্বলন কৰে কুৱেইটত থকা ভাৰতীয় ৰাষ্ট্ৰদূত সুনীল জৈন, অসম এছ'চিয়েশনৰ কুৱেইটৰ সভাপতি অনুপ বৰা, সাধাৰণ সম্পাদক অভিজিৎ শৰ্মা, উপ-সভাপতি অৰবিন্দ দত্ত আৰু সাংস্কৃতিক সম্পাদিকা মিতালী গোস্বামীয়ে। বন্তি প্ৰজ্বলনৰ সমান্তৰালকৈ মঞ্চত পৰিৱেশিত হয় 'শ্ৰীময়ী অসমীৰ শীতল বুকুত' শীৰ্ষক গীতটো। তাৰ পিছতে সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী সমবেত সংগীত ৰূপে 'আজি জীৱন বুটলিবি' শীৰ্ষক গীতটো পৰিৱেশন কৰে এছ'চিয়েশনৰ সদস্যসকলে। এই অনুষ্ঠানতে ৰাষ্ট্ৰদূতৰ লগতে তেওঁৰ সতীৰ্থ শিৱসাগৰৰ শুভাশিস গণ্ডাৰ আৰু বৰ্ণালী কলিতাক সম্বৰ্ধনা জনোৱা হয়। ৰাষ্ট্ৰদূতে এছ'চিয়েশনৰ বাৰ্ষিক মুখপত্ৰ 'জেতুকা' উন্মোচন কৰাৰ লগতে অসমৰ থলুৱা সম্পদেৰে পৰিৱেষ্টিত প্ৰদৰ্শনীৰ উদ্‌ঘাটন কৰে। ভাষণ প্ৰসংগত ৰাষ্ট্ৰদূতে অসম তথা ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক শোভাৰ বিষয়ে বৰ্ণনা কৰাৰ লগতে প্ৰবাসী অসমীয়াসকলৰ দ্বাৰা পৰিচালিত অনুষ্ঠানটোৰ ভূয়সী প্ৰশংসা কৰে। ৰাষ্ট্ৰদূতৰ উপস্থিতিতে প্ৰবাসী অসমীয়া পুৰুষ-মহিলাসকলে পৰিৱেশন কৰে বিহু হুঁচৰি। কণমানিহঁতে তিৰা, বিহু, কিশোৰ-কিশোৰীহঁতে ক্ৰমে বিহু আৰু বাগৰুম্বা নৃত্য, অসমীয়া আধুনিক নৃত্য আৰু 'অ মোৰ আপোনাৰ দেশ' শীৰ্ষক আমাৰ জাতীয় সংগীত পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শিশুসকলৰ মাজত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা আৰু এছ'চিয়েশনৰ সদস্যসকলৰ মাজত অনুষ্ঠিত সৃজনীমূলক ৰচনা প্ৰতিযোগিতা আৰু 'সন্ধান' (অসম শীৰ্ষক কুইজ) প্ৰতিযোগিতাৰ লগতে 'ৰাফল ড্ৰ'ৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে ক্ৰমে দুলাৰী বৰুৱা, ভাৰতী শৰ্মা, নিভা বৰগোহাঁই আৰু অনুপ বৰাই। শলাগৰ শৰাই আগবঢ়ায় অভিজিৎ শৰ্মাই। অনুষ্ঠানটোৰ আঁত ধৰে বিজন গোস্বামী আৰু আলোক কুমাৰ দাসে। উল্লেখ্য, ১৮ এপ্ৰিলত আল-ফিণ্টাছ পাৰ্কত অনুষ্ঠিত ৰঙালী বিহুৰ খেল-ধেমালি অনুষ্ঠানত লিহত পৰম্পৰা অসমীয়া জলপান চিৰা, বৰা চাউল, হৰুম, আখৈ, কোমল চাউল, দৈ, ক্ৰীম আৰু গুৰৰ লগতে কুৱেইটৰ অসমীয়া মহিলাসকলে প্ৰস্তুত কৰা তিল পিঠা, সুতুলী পিঠা, ঘিলা পিঠা, তেল পিঠা, টেকেলী মুখত দিয়া পিঠা, নাৰিকলৰ লাড়ু আৰু তিলৰ লাড়ু আদিৰে অভ্যাগতসকলক আপ্যায়িত কৰা হয়। বিহুৰ জলপানৰ পিছত শিশু-মহিলা নিৰ্বিশেষে সকলোৱে টেকেলী ভঙা, কণী যুঁজ, ৰছী টনা আদি খেলত অংশগ্ৰহণ কৰে। তাৰ পিছতে সকলোৱে জুতি লয় মহিলাসকলৰ দ্বাৰা ঘৰুৱাভাৱে তৈয়াৰী বিহুৰ খাদ্যসম্ভাৰ খাৰ, পচলা, হাঁহৰ মাংস, মুৰ্গীৰ মাংস, মাছৰ টেঙা আদিৰ। এনেদৰে অসমৰ পৰা কেইহাজাৰ যোজন আঁতৰত থাকিও 'অসম এছ'চিয়েশন ঃ কুৱেইট'ৰ সমূহ সদস্যই অসমৰ বিহু পৰম্পৰা অক্ষুণ্ণ ৰখাৰ উপৰি তেওঁলোকৰ উত্তৰপুৰুষক অসমীয়া সংস্কৃতিৰ সৈতে একাত্মবোধ অনুভৱ কৰোৱাৰ বিনম্ৰ প্ৰয়াস কৰি আহিছে।